# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-Nov-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গহপুৰত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ নিৰ্মাণকাৰ্যত ব্যৱহাৰ হ'বলগীয়া অমৃত কলহ কঢ়িয়াই নিয়া বাহনৰ আজি শুভাৰম্ভ কৰে। বিশ্ববিদ্যালয়খনৰ আধাৰশিলা স্থাপনৰ বাবে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত সংৰক্ষণ কৰি ৰখা ২৭০টা অমৃত কলহ গহপুৰলৈ লৈ যোৱা হ'ব। উল্লেখযোগ্য যে 'মোৰ মাটি, মোৰ দেশ' কাৰ্যসূচীৰ অংশ হিচাপে ২০২৩ বৰ্ষৰ ২০ ছেপ্তেম্বৰৰ পৰা ৰাজ্যত অমৃত কলহ যাত্ৰাৰ ৰূপায়ণ কৰি প্ৰতিখন গাঁও আৰু পৌৰ এলেকাৰ প্ৰতিটো ৱাৰ্ডৰ পৰা সংগ্ৰহ কৰা মাটি বা চাউল অমৃত কলহত সংগ্ৰহ কৰা হৈছিল। মুখ্যমন্ত্ৰী ড০ শৰ্মাই তেওঁৰ ভাষণত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয় ৰাজ্য চৰকাৰৰ এটা অন্যতম অভিলাষী প্ৰকল্প বুলি উল্লেখ কৰি কয়, যে এই বিশ্ববিদ্যালয়খন প্ৰযুক্তি আধাৰিত বৃত্তিমূলক শিক্ষা আৰু প্ৰশিক্ষণৰ ক্ষেত্ৰত দেশৰ প্ৰথমখন বিশ্ববিদ্যালয় হ'ব। গহপুৰৰ ভোলাগুৰি চাহ বাগিচাৰ ৭৩১ বিঘা ভূমিত প্ৰায় ৫০০ কোটি টকা ব্যয়েৰে এই বিশ্ববিদ্যালয়খন নিৰ্মাণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

**বাইট (চি এম) ১**

ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়খনক সকলো দিশতে আগশাৰীৰ এখন প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে পৰ্যাপ্ত পুঁজি আৱণ্টনৰ ব্যৱস্থা কৰিছে বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে ইয়াত কৃত্ৰিম বুদ্ধিমত্তা, ৰব'টিক ছায়েন্স, থ্ৰী ডি প্ৰিণ্টিঙকে ধৰি কেইবাটাও নতুন নতুন বিষয় অন্তৰ্ভুক্ত কৰা হ'ব।

উল্লেখযোগ্য যে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে পৰহিলৈ এই বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব।

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত  অহা ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম আগমনৰ বিষয়েও প্ৰকাশ কৰে। শ্ৰীমোদীয়ে এই ভ্ৰমণকালত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নতুন আগমন প্ৰস্থান ভৱন মুকলি কৰাৰ উপৰি নামৰূপৰ ১২ লাখ মেট্ৰিকটনৰ ইউৰিয়া আৰু এম'নিয়া উৎপাদন প্ৰকল্পৰ উদ্বোধন কৰিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

০০০০০

অসমত দুদিনীয়া ভ্ৰমণসূচীৰে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ কাইলৈ গুৱাহাটীত উপস্থিত হ'ব। কাইলৈ সন্ধিয়া তেওঁ উজান বজাৰত ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্টৰ সতী ৰাধিকা শান্তি উদ্যান আৰু পাণবজাৰৰ গে'টৱে অৱ গুৱাহাটীৰ অত্যাধুনিক ফেৰী টাৰ্মিনেল আৰু জেটি উদ্বোধন কৰিব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু পৰিবহণ মন্ত্ৰী চৰণ বড়ো উপস্থিত থাকিব। এই প্ৰকল্পই গুৱাহাটী মহানগৰীৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। ইয়াৰ আগতে মন্ত্ৰীগৰাকীয়ে

জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পস্থলী পৰিদৰ্শন কৰিব। প্ৰকল্পস্থলীত আয়োজিত এটা অনুষ্ঠানত বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰায় ৩০০ গৰাকী যুৱক-যুৱতীৰ সৈতে মত বিনিময় কৰিব।

ooooo

কাছাৰ জিলাৰ আৰক্ষীয়ে জিলাখনত ভুৱা চিকিৎসকৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। আজি আৰক্ষীয়ে লক্ষীপুৰৰ পয়লাপুলৰ বাসিন্দা শেখৰ আচাৰ্য নামৰ লোক এজনক গ্ৰেপ্তাৰ কৰে। এই লোকজনে দীৰ্ঘদিন ধৰি চিকিৎসক হিচাপে পৰিচয় দি ৰোগীক প্ৰবঞ্চনা কৰি আহিছিল বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। আৰক্ষীয়ে এই লোকজনৰ পৰা চিকিৎসকৰ ভুৱা প্ৰমাণপত্ৰ আৰু অন্যান্য নথি উদ্ধাৰ কৰিছে। এই পৰ্যন্ত জিলাখনত ১৮ জন ভুৱা চিকিৎসক গ্ৰেপ্তাৰ কৰা হৈছে।

ooooo

ব্ৰহ্মপুত্ৰৰ পাৰত বায়ুসেনাৰ সামৰিক প্ৰদৰ্শনৰ অনুশীলনৰ পৰিপ্ৰেক্ষিতত আজিৰেপৰা ৯ নৱেম্বৰলৈ গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজৰ ফেৰীসেৱা বন্ধ ৰখা হ'ব। এই অনুশীলনত সুবিধা হোৱাকৈ আৰু গুৱাহাটী গে'টৱে মুকলি অনুষ্ঠানৰ বাবে আভ্যন্তৰীণ জল পৰিবহণ বিভাগে ফেৰীসেৱা বন্ধ ৰখাৰ সিদ্ধান্ত লৈছে। বিকল্প হিচাপে উত্তৰ গুৱাহাটীৰ পৰা গুৱাহাটীলৈ আজিৰেপৰা অসম ৰাজ্যিক পৰিবহণ নিগমৰ বাছ চলাচল কৰিব। ইপিনে, মাছখোৱাৰ লাচিত ঘাটত হ'বলগীয়া ভাৰতীয় বায়ু সেনা দিৱসৰ ফ্লাই পাষ্টৰ বাবে ৮ আৰু ৯ নৱেম্বৰত গুৱাহাটীত যান-বাহন চলাচলৰ ক্ষেত্ৰত কিছু নিষেধাজ্ঞা আৰোপ কৰা হৈছে। বাণিজ্যিক সামগ্ৰী কঢ়িওৱা বাহন তথা অন্য গধুৰ বাহনক এইচ বি ৰোড, এ টি ৰোড, ডি জি ৰোড, এম জি ৰোড, বি বৰুৱা ৰোড, জি এন বি ৰোডত ৮ আৰু ৯ নৱেম্বৰৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৫ বজালৈ চলাচলৰ অনুমতি দিয়া নহ'ব। সেই সময়খিনিত ঠেলা, ৰিক্সা আদি বাহনক এম জি ৰোডত মাছখোৱাৰ পৰা মুখ্য ন্যায়াধীশৰ বাংলোলৈকে চলাচল কৰাত বাধা আৰোপ কৰা হৈছে। বায়ু সেনাই জাৰি কৰা আৰু বিতৰণ কৰা অনুমতিপত্ৰ থকা বাহনৰ বাহিৰে আন কোনো বাহন দিনৰ ১১ বজাৰ পৰা বিয়লি ৫ বজালৈ সেই অঞ্চলত চলাচল কৰিব নোৱাৰিব। খানাপাৰাৰ পৰা ভৰলুমুখৰ ফালে অহা সকলো ছিটি বাছ জি এছ ৰোড, এ টি ৰোড, আঠগাওঁ হৈ গৈ পাণবজাৰৰ আৰ বি আই হৈ ঘুৰিব নোৱাৰিব। ছিটিবাছৰ বাহিৰে জালুকবাৰীৰ পৰা অহা কোনো গধুৰ বাহন মহানগৰীত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। এইচ বি ৰোডত দুয়োপিনে যান-বাহন চলাচল কৰিব পাৰিব।

ooooo

সমাপ্ত